# বিহু

# উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ পাঠ্যক্ৰম

**আগকথা ঃ** সংস্কৃতি এটা জাতিৰ দাপোণ স্বৰূপ। জাতিৰ বৰপীৰাত সংস্কৃতিৰ অংগসমূহক শুদ্ধৰূপত উপস্থাপন কৰাটো এটা অতি সময়োপযোগী বিষয় । বৰ অসমৰ জনগোষ্ঠীয় সংস্কৃতিৰ সংমিশ্ৰণৰ ঐতিহ্যময় বৰ্ণিল ইতিহাসত অসমৰ জাতীয় জীৱনৰ আয়ুস-ৰেখা বিহুৰে স্বকীয় বৈচিত্ৰ্যৰে মহীয়ান হৈ বৰ অসমৰ সকলোকে একতাৰ ডোলেৰে বান্ধি ৰাখিছে। অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়া সুদৃঢ় কৰাৰ ক্ষেত্ৰত বিহুয়ে যি ভূমিকা পালন কৰিব পাৰে, অসমীয়া সংস্কৃতিৰ অনান্য উপাদানসমূহক এই ক্ষেত্ৰত একে শাৰীতে ৰাখিব নোৱাৰি। জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলোৰে ওপৰত বিহুৰ প্ৰভাৱ অপৰিসীম। সেয়েহে বিহুক অসমীয়া জাতিৰ "আয়ুস-ৰেখা আৰু জন-জীৱনৰ সাহ" বুলি কোৱা হয়। এই বিহুক শুদ্ধৰূপত উপস্থাপন কৰাটো সময়ৰ আহ্বান আৰু এটা জাতিৰ প্ৰতি থকা দায়বদ্ধতা পালনৰ এক সময়োচিত পদক্ষেপ।

সুকুমাৰ কলাৰ অংগসমূহৰ ভিতৰত বিহুৰ প্ৰায়োগিক দিশৰ ব্যৱহাৰত ভৱিষ্যৎ প্ৰজন্মৰ বাবে ন ন আৱিস্কাৰ আৰু এই বিলাকৰ ওপৰত নিৰ্ভৰ কৰি জীৱন জীৱিকাত ধনাত্মক উপজীব্য প্ৰদান কৰাৰ বহুতো থল আছে। পৰিবেশ্য কলাৰ উপাদানসমূহৰ ভিতৰত বিহুৰ গ্ৰহণযোগ্যতা আৰু নিৰ্ভৰশীলতাৰ সুযোগ দেধাৰ। কেৱল অসম বা ভাৰতৰ ভিতৰতে নহয় বিশ্বৰ বিভিন্ন প্ৰান্তত এই কলাৰ পৰিবেশনৰ যোগেদি জীৱিকাৰ সন্ধান উলিওৱাৰ সুযোগ আছে। পৃথিৱীৰ সভ্যতাত পৰিবেশ্য কলাৰ যি স্থান আছে অন্য উপাদান ইয়াৰ সমকক্ষ হোৱাটো একে আষাৰে স্বীকাৰ কৰিব নোৱাৰি। সেয়েহে বিহু ভৱিষ্যত প্ৰজন্মৰ মাজত সংস্কৃতিৰ বৰপেৰাৰ প্ৰধান উপজীব্য হিচাপে থকাৰ উপৰিও এক জীৱিকাৰ আহিলা হ'ব পাৰে বুলি বিনা দ্বিধাই ক'ব পাৰি। ঐচ্ছিক বিষয় হিচাপে উচ্চতৰ মাধ্যমিকৰ পাঠ্যক্ৰমত বিহুৰ সংযোজনে ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব বুলি আশা কৰা হৈছে।

**উদ্দেশ্যাৱলী ঃ** বিহুক এক ঐচ্ছিক বিষয় হিচাপে অধ্যয়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে

ক) বিহুৰ ক্ৰমবিকাশৰ সম্পৰ্কে থকা ঐতিহাসিক তথ্যৰ ওপৰত সম্যক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

খ) বিহুনামৰ বিভিন্ন প্ৰকাৰৰ সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব।

গ) বিহুনাম তথা বিহুনৃত্যৰ লগত সংগতি ৰাখি বিহুবাদ্যৰ বিভিন্ন চেও চাপৰ সম্পৰ্কে জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব।

ঘ) বিহুৰ লগত জড়িত বিভিন্ন লোকাচাৰ, লোক-বিশ্বাস, খাদ্যাভাস, খেল-ধেমালি তথা সাজ-পাৰ সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব পাৰিব।

ঙ) বৰ অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত বিহুৰ লোকাচাৰ আৰু পালনৰ বিভিন্নতাৰ বিষয়েও জানিব পাৰিব।

# বিহু

**উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পাঠ্যক্ৰম**

| তাত্বিক | সময় ঃ ২ ঘণ্টা | মুঠ নম্বৰ ঃ ৩০ |
|---|---|---|
| **গোট - ১** | বিহুৰ উৎপত্তি আৰু ক্ৰমবিকাশ | ০৫ |
| | বিহু শব্দৰ আঁতিগুৰি | |
| | বিহু সম্পৰ্কে ঐতিহাসিক ধাৰণা | |
| | তিনিটা বিহুৰ ধাৰণা | |
| | ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহু | |
| **গোট - ২** | বিহুগীতৰ শ্ৰেণী বিভাজন আৰু বৈশিষ্ট্য | **০৬** |
| | বিহুনাম / বিহুগীতৰ সংজ্ঞা | |
| | বিহুগীতৰ বিভাগ | |
| | বিহুগীতৰ বৈশিষ্ট্য (সাহিত্যিক মূল্যায়ন) | |
| **গোট - ৩** | বিহুবাদ্যৰ পৰিচয় | ০৬ |
| | বাদ্যৰ পৰিচয় | |
| | বাদ্যৰ শ্ৰেণীবিভাগ | |
| | বিহুবাদ্যৰ সাধাৰণ পৰিচয় আৰু প্ৰস্তুত প্ৰণালী | |
| | ঢোল, তাল, পেঁপা, টকা, সুতুলি, গগনা | |
| **গোট - ৪** | বিহু নাচৰ বৈশিষ্ট্য | ০৪ |
| | বিহুনাচৰ পৰিচয় | |
| | বিহুনাচৰ বৈশিষ্ট্য | |
| | বিহুনাচৰ ভংগীমাসমূহৰ বিৱৰণ | |
| **গোট - ৫** | জনগোষ্ঠীয় বিহুৰ পৰম্পৰা | ০৫ |
| | মিচিং, ৰাভা, কাৰ্বি, দেউৰী, বড়ো | |
| **গোট - ৬** | বিহুৰ সাজপাৰ আৰু আ- অলংকাৰ | ০৪ |
| | বিহুৰ সাজপাৰ আৰু আ-অলংকাৰৰ পৰিচয় | |
| | বিহুৱাই পৰিধান কৰা সাজপাৰ আৰু আ-অলংকাৰ | |
| | বিহুৱতীয়ে পৰিধান কৰা সাজপাৰ আৰু আ-অলংকাৰ | |

# বিষয় ঃ বিহু (প্ৰথম বৰ্ষ)

**প্ৰয়োগিক ঃ** **সময় ঃ ২ ঘণ্টা** **মুঠ নম্বৰ ঃ ৭০**

| | | |
|---|---|---|
| ১. | **বিহু নাম গোৱাৰ অনুশীলন** | **১৫** |
| | **ক) হুচৰিত গোৱা বিহুনাম (হুচৰিৰ পদ-ঘোষা, গীত-মাত আদি)** | **১২** |
| | **নাইবা** | |
| | **গাভৰু বিহুত গোৱা বিহু নাম (সুৰ,তাল -লয়, যোজনা, যোৰানাম, জাতনাম আদি)** | ১২ |
| | **খ)** মৌখিক | ০৩ |
| ২. | **বিহু বাদ্যৰ অনুশীলন** | ২৫ |
| | **ক) ঢোল - ঢোলৰ বোল (ৰগৰ, টোকৰ,চোচনী-চাপৰ), হুচৰিৰ ঘোষাৰ চেও - চাপৰ, খৰা ছেও বা চুটি ছেও,দীঘলীয়া ছেও, আৰু দুমুনী ছেও** | **১২** |
| | **পেঁপা বাদনৰ আখৰা (বোল)** | ০৮ |
| | নাইবা | |
| | গগনা **বাদনৰ আখৰা (বোল)** | **১০** |
| | **টকা বাদনৰ আখৰা** | ০৮ |
| | সুতুলি **বাদনৰ আখৰা (বোল)** | ০৭ |
| | খ) **মৌখিক** | ০৫ |
| ৩. | বিহু নাচৰ অনুশীলন | **২০** |
| | ক) বিহুৱাৰ বিহু নাচৰ ভংগিমা (পাঠ্যপুথিত অন্তৰ্গত প্ৰথম চাৰিটা) | ০৭ |
| | নাইবা | |
| | বিহুৱতীৰ বিহু নাচৰ ভংগিমা (পাঠ্যপুথিত অন্তৰ্গত প্ৰথম চাৰিটা) | ০৭ |
| | খ) জনগোষ্ঠীয় বিহুনাচৰ আখৰা (পাঠ্যপুথিত অন্তৰ্গত যিকোনো এটা) | ০৮ |
| | গ) মৌখিক | ০৪ |
| ৪. | বিহুৰ লগত জড়িত গছ-লতিকাৰ পৰিচয় | ০৫ |

❑ ❑ ❑